# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 19-10 Hrs.

# Assamese Evening Bulletin
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত ৰাজনৈতিক দলসমূহে এতিয়া ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

২। সমগ্ৰ দেশত আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যুৰ লগত সংগতি ৰাখি সন্ত্ৰাসবাদী বিৰোধী দিৱস পালন কৰা হৈছে।

৩। দিল্লীৰ ৰাউজ এভিনিউ আদালতে আবকাৰী নীতি কেলেংকাৰীৰ সৈতে জড়িত ধন সৰবাৰহৰ গোচৰত অভিযুক্ত দিল্লীৰ উপ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ নেতা মনীষ ছিছ'দিয়াৰ ন্যায়িক জিম্মা ৩১ মেলৈ বৃদ্ধি কৰে।

৪। ভাৰতৰ এক্‌তা ভয়ানে জাপানৰ কোবেত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিক প্ৰতিযোগিতাৰ মহিলাৰ এফ ফিফ্‌টি ৰান শিতানত সোণৰ পদক অৰ্জন কৰিছে। *আৰু*

৫। ছান ৰাইজাৰ্ছ হায়দৰাবাদ কিছু সময়ৰ পাছত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৰানত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত ৰাজনৈতিক দলসমূহে এতিয়া ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ২৫ মে'ত আৰু ১ জুনত হ'বলগীয়া ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মতিহাৰীৰ গান্ধী ময়দানত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাষণত কংগ্ৰেছক এটা পৰিয়ালকেন্দ্ৰিক দল বুলি অভিহিত কৰাৰ লগতে দলটোৱে মাত্ৰ এটা পৰিয়ালৰ স্বাৰ্থ সিদ্ধিৰ হকে কাম কৰি আহিছে বুলি অভিযোগ তোলে। লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি তেওঁ দাবী কৰে। শ্ৰী মোদীয়ে কয় যে জনসাধাৰণে নিৰ্বাচনত দুৰ্নীতিৰ গোচৰ আৰু ভাৰত বিৰোধী অভিযানত লিপ্ত হোৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিব। মহাত্মা গান্ধীৰ সত্যাগ্ৰহ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ শিকনিৰাজিৰ পৰা উদ্বুদ্ধ হোৱা বুলি উল্লেখ

কৰি শ্ৰী মোদীয়ে কয় যে কংগ্ৰেছ মহাত্মা গান্ধীৰ সপোন পূৰণত ব্যৰ্থ হৈছে। মহাত্মা গান্ধীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ নীতি অনুসৰণ কৰিয়ে প্ৰতিটো পৰিয়ালৰ বাবে শৌচালয়ৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ লগতে দুখীয়া জনসাধাৰণক বিদ্যুৎ আৰু ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ বাবে লোৱা পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে আই এন ডি আই মিত্ৰজোঁট একবিংশ শতিকাৰ আশা-আকাংক্ষাৰ সৈতে খোজ মিলাব নোৱাৰে আৰু একমাত্ৰ এন ডি এহে এই সপোনসমূহ বাস্তৱায়িক কৰিবলৈ সক্ষম। তেওঁ লগতে কেন্দ্ৰত এখন নিৰ্ণায়ক চৰকাৰেৰে পৰৱৰ্তী ৫ বছৰত অধিক ক্ষিপ্ৰতাৰে উন্নয়নমূলক কাম সম্পন্ন কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। পাছত শ্ৰীমোদীয়ে মহাৰাজগঞ্জ সংসদীয় সমষ্টিৰ গৰিয়াকোথিত আন এখন নিৰ্বাচনী সভাত ভাগ লৈ আই এন ডি আই মিত্ৰজোটক সাম্প্ৰদায়িক, জাতিগত আৰু বংশবাদী মিত্ৰজোট বুলি অভিযোগ তোলে। তেওঁ কয় যে, এই মিত্ৰজোটে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰিব নোৱাৰে কিয়নো নিজৰ পৰিয়ালৰ উন্নতিয়ে তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য। একেদৰে প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে আজি দলীয় প্ৰাৰ্থী ধুল্লু মাহাতোৰ হৈ বোকাৰত প্ৰচাৰ চলায়। প্ৰচাৰ কালত শ্ৰীসিঙে ঝাৰখণ্ড মুক্তিমৰ্চা আৰু ইয়াৰ নেতাসকলক সমালোচনা কৰি কয় যে, দলটো ক্ষমতালৈ অহাৰ পৰা ৰাজ্যখনত দুৰ্নীতি বৃদ্ধি পাইছে আৰু উন্নযন ব্যাহত হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ নাম উল্লেখ নকৰাকৈ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ এগৰাকী সহযোগীৰ বাসগৃহৰ পৰা বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰ হোৱা ঘটনাৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰী জড়িত নাথাকিলে এনে হব নোৱাৰে বুলি তেওঁ উল্লেখ কৰে।

আনহাতে, আম আদমী পাৰ্টীৰ নেতা তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি জামছেদপুৰত এখন নিৰ্বাচনী সভাত ভাগ লৈ ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত্ চোৰেণৰ কাৰাদণ্ড ৰাজনৈতিক ষড়যন্ত্ৰৰ অংশ বুলি অভিযোগ তোলে। হেমন্ত্ চোৰেণক জনজাতীয় সম্প্ৰদায়ৰ ডাঙৰ নেতা বুলি উল্লেখ কৰি শ্ৰীকেজৰিৱালে কয় যে, জে এম এমৰ পিতৃস্বৰূপ চিবু চোৰেণে ঝাৰখণ্ডক এখন সুকীয়া ৰাজ্যৰূপে গঢ়ি তোলাৰ বাবে কঠোৰ সংঘৰ্ষ কৰিছিল।

দিল্লীতো সাতোখন সংসদীয় আসনৰ বাবে প্ৰচাৰ তুংগত উঠিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছে শনিবাৰে ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিকেইটাৰ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে।

আম আদমী পাৰ্টী আৰু কংগ্ৰেছে মূল্যবৃদ্ধি, কৰ্ম সংস্থাপনহীনতা আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিজেপিয়েও সুৰা নীতি কেলেংকাৰী আৰু অনিয়মৰ অন্যান্য ঘটনাক লৈ আম আদমী পাৰ্টীক তীব্ৰ সমালোচনা কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি চান্দনী চ'কত এটা ৰোড শ্ব'ত ভাগ ল'ব আৰু পালমত এখন নিৰ্বাচনী সভা সম্বোধন কৰে। ইপিনে, আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উত্তৰ-পূব দিল্লীত এটা ৰোড শ্ব'ত অংশ লয়। দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু অন্যান্য নেতাসকলে মহানগৰখনৰ বিভিন্ন অংশত প্ৰচাৰ চলাইছে।

০০০০

পঞ্জাৱৰ পৰা আম আদমি পাৰ্টিৰ প্ৰাক্তন বিধায়ক জগবীৰ সিং ব্ৰাৰে আজি বিজেপিত যোগদান কৰে। নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ চুঘৰ উপস্থিতিত তেওঁক দলত অন্তৰ্ভুক্ত কৰা হয়৷

০০০০

সমগ্ৰ দেশত আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হৈছে। ১৯৯১ চনৰ ২১ মে'ত এল টি টি ইৰ আত্মঘাতী বোমাৰুৰ আক্ৰমণত চেন্নাইৰ সমীপৰ এখন গাঁৱত প্ৰাণ হেৰুওৱা প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। সমাজ আৰু ৰাষ্ট্ৰৰ ওপৰত সন্ত্ৰাসবাদ আৰু হিংসাৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৃত্যুবাৰ্ষিকীত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছৰ সংসদীয় দলৰ নেত্ৰী ছোনিয়া গান্ধী আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়েও ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নতুন দিল্লীৰ বীৰভূমিত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধিত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

০০০০

আবকাৰী নীতি কেলেংকাৰীৰ সৈতে জড়িত ধন সৰবৰাহৰ গোচৰত অভিযুক্ত দিল্লীৰ উপ-মুখ্যমন্ত্ৰী তথা আম আদমি পাৰ্টিৰ নেতা মনীষ ছিছ 'দিয়াৰ ন্যায়িক জিম্মা আজি দিল্লীৰ ৰাউজ এভিনিউ আদালতে ৩১ মে'লৈ বৃদ্ধি কৰে। ছিছ'দিয়াৰ বিৰুদ্ধে গোচৰৰ পৰৱৰ্তী শুনানী অহা ৩১ মে'ত গ্ৰহণ কৰা হ 'ব। চিবিআইয়ে গ্ৰেপ্তাৰ কৰাৰ পি ছত বিগত বৰ্ষৰ ২৬ ফেব্ৰুৱাৰীৰ পৰা ন্যায়িক জিম্মাত আছিল ছিছ'ডিয়া। পিছত বিধি বলবৎকাৰী সঞ্চালকালয়ে তেওঁক গ্ৰেপ্তাৰ কৰে৷ গোচৰসমূহৰ অভিযোগ নিশ্চিতকৰণ প্ৰক্ৰিয়াত অভিযুক্তই বিলম্ব কৰাৰ ভিত্তিত বিধি বলবৎকাৰী সঞ্চালকালয় আৰু চি বি আই উভয়েই ছিছ 'ডিয়াক কোনোধৰণৰ সকাহ দিয়াৰ বিৰোধিতা কৰিছিল। যোৱা ১৪ মে 'ত দিল্লী উচ্চ ন্যায়ালয়ে আপৰ নেতা, চিবিআই আৰু বিধি বলবৎকাৰী সঞ্চালকালয়ৰ হৈ শুনানী গ্ৰহণৰ পাছত স্থগিত কৰি ৰখা ছিছ'ডিয়াৰ জামিন আবেদনো দিল্লী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে৷

০০০০

সদ্যপ্ৰয়াত ইৰাণৰ ৰাষ্ট্ৰপতি ড° ছইদ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমীৰ আব্দুল্লাহিয়ানৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশতে আজি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰা হৈছে। সেই অনুসৰি সমগ্ৰ দেশতে নিয়মীয়াকৈ ৰাষ্ট্ৰীয় পতাকা উৰি থকা ভৱনসমূহত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হৈছে। লগতে আজিৰ দিনটোত কোনোধৰণৰ আনুষ্ঠানিক মনোৰঞ্জনমূলক কাৰ্যসূচী পালন কৰা নহ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশমন্ত্ৰীয়ে শনিবাৰে এটা হেলিকপ্তাৰ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে।

০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীৰ ইৰাণ দূতাবাসত উপস্থিত হৈ ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰায়ছি আৰু বিদেশ মন্ত্ৰী হোছেইন আমিৰ আব্দুল্লাহিয়ানৰ কৰুণ মৃত্যুত শোক প্ৰকাশ কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে কয় যে ভাৰত -ইৰাণৰ সম্পৰ্কৰ বিকাশত প্ৰয়াত নেতা দুগৰাকীৰ ভাৰতৰ বন্ধু হিচাপে সদায়েই স্মৰণীয় হৈ ৰব। এই কঠিন সময়ত ভাৰত চৰকাৰ ইৰাণৰ জনসাধাৰণৰ সৈতে সংহতিৰে ঠিয় দিব বুলিও ড° জয়শংকৰে কয়।

০০০০

ভাৰতৰ এক্তা ভয়ানে জাপানৰ কোবেত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিক প্ৰতিযোগিতাৰ মহিলাৰ এফ ফিফ্টি ৰান শিতানত সোণৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে আজি ২০ দশমিক ১-২ মিটাৰৰ বছৰটোৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে স্বৰ্ণপদক হস্তগত কৰে। ভাৰতৰ আন এগৰাকী খেলুৱৈ কশিশ লাক্ৰাই ১৪ দশমিক ৫-৬ মিটাৰেৰে ৰূপৰ পদক লাভ কৰে। আনহাতে, আলজেৰিয়াৰ নাড্জেট্ বাউশ্বৰফে এই শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০

ছান ৰাইজাৰ্ছ হায়দৰাবাদ কিছু সময়ৰ পাছত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৱানত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। আনহাতে, পৰাজিত দলটোৱে শুকুৰবাৰে কোৱালিফায়াৰ টু-ত খেলাৰ যোগ্যতা অৰ্জন কৰিব। একেখন ষ্টেডিয়ামত কাইলৈ ৰাজস্থান ৰয়েল্ছ্ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত এলিমিনেটৰ খেলখন অনুষ্ঠিত হ'ব। এই খেলখনত বিজয়ী দলটোৱে কোৱালিফায়াৰ-টুত খেলাৰ সুযোগ লাভ কৰিব।

০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত কাইলৈৰ পৰা কনকলতা বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজ্যৰ কেইবাটাও দলে অংশ ল'বলগীয়া এই প্ৰতিযোগিতাত দলসমূহক ৭টা ক্লাষ্টাৰত ভাগ কৰি বিভিন্ন স্থানত খেলসমূহ খেলোৱা হ'ব। গ্ৰুপ-এৰ খেলসমূহৰ বাহিৰে বাকী খেলসমূহ কাইলৈ আৰম্ভ হ'ব। কৰিমগঞ্জ, হোজাই, শিলচৰ আৰু হাইলাকান্দি জিলাৰ অংশগ্ৰহণেৰে কৰিমগঞ্জত হ'বলগীয়া গ্ৰুপ-এৰ খেল ২৪ মে'ত আৰম্ভ হ'ব। আনহাতে গ্ৰুপ-বিৰ খেল গোলাঘাট, ডিব্ৰুগড়, চৰাইদেও, শিৱসাগৰ আৰু নাহৰকটীয়াৰ অংশগ্ৰহণেৰে গোলাঘাটত খেলোৱা হ'ব। বৰপেটাত হ'বলগীয়া গ্ৰুপ-চিৰ খেলত নলবাৰী, বৰপেটা, তেজপুৰ, নগাঁও আৰু বঙাইগাঁৱত হ'বলগীয়া গ্ৰুপ-ডিৰ খেলত বঙাইগাঁও, গোৱালপাৰা, ধুবুৰী আৰু বিশ্বনাথ জিলাই অংশগ্ৰহণ কৰিব। একেদৰে মঙলদৈত লখিমপুৰ, তিনিচুকীয়া আৰু ধেমাজিৰ গ্ৰুপ-ইৰ খেল, গুৱাহাটী, ৰঙিয়া, উত্তৰ-পূব সীমান্ত ৰে'লৰে আৰু বিলাসীপাৰাৰ অংশগ্ৰহণেৰে গ্ৰুপ-এফৰ খেল আৰু মৰিগাওঁ, বোকাখাট, কোকৰাঝাৰ আৰু যোৰহাটৰ গ্ৰুপ-জিৰ খেল খেলোৱা হ'ব।

০০০০

সমাপ্ত